# 2024

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–5016

## ( Study of Assamee Folk Literature )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'জন-সাহিত্য' শব্দটো অসমীয়াত কোনে প্ৰথমতে ব্যৱহাৰ কৰিছিল বুলি প্ৰফুল্লদত্ত গোস্বামীয়ে উল্লেখ কৰিছে?

(খ) 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখক কোন?

(গ) অসমীয়া কিংবদন্তী বা জনশ্ৰুতিমূলক মালিতা এবিধৰ নাম লিখা।

(ঘ) 'হাইদাং' কোন সম্প্ৰদায়ে গোৱা গীত?

(ঙ) অসমীয়া 'মালিতা' শব্দটো কি শব্দৰ পৰা সৃষ্টি হৈছে?

(চ) 'বগেজাৰী' বা 'বাগজাৰী গীত' কোন সম্প্ৰদায়ৰ গীত?

(ছ) 'বৃঃ বৃগ্-নিঃতম্' অসমৰ কোন জনগোষ্ঠীয়ে গোৱা গীত?

(জ) 'চিকণ-সৰিয়হৰ গীত'টি কোন শ্ৰেণীৰ মালিতা?

(ঝ) ১৯১৮ চনত প্ৰকাশ পোৱা 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' পুস্তিকাখনৰ লেখকৰ নাম কি?

(ঞ) 'কেৱল ঘোষা' কোন সম্প্ৰদায়ৰ ধৰ্মগীত?

২। অতি চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) লোক-সাহিত্যৰ দুটি লক্ষণ লিখা।

(খ) 'সাঁথৰ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখা।

(গ) দুবিধ অসমীয়া শ্ৰমৰ গীতৰ নাম লিখা।

(ঘ) নামনি অসমত প্ৰচলিত যি কোনো জনগোষ্ঠীৰ দুবিধ উৎসৱকেন্দ্ৰিক গীতৰ নাম লিখা।

(ঙ) দুবিধ বাৰমাহী গীতৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) নিচুকনি গীত

(খ) বড়ো জনগোষ্ঠীৰ লোকগীত





(গ) খণ্ডিত মালিতা

(ঘ) বাৰমাহী গীত

(ঙ) ঐনিতম

(চ) বনঘোষা

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) লোক-সাহিত্যত লোকমনৰ প্ৰকাশ কেনেদৰে ঘটে, উদাহৰণসহ আলোচনা কৰা।

(খ) গীতি-সাহিত্যত বুৰঞ্জীৰ সাঁচ কেনেকৈ পৰে, এই বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(গ) বিহুগীতত অসমীয়া সমাজৰ জীৱন-চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) মন্ত্ৰ-সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঙ) বুৰঞ্জীমূলক মালিতাৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(চ) অসমীয়া আৰু অসমীয়া নৃগোষ্ঠীয় উপভাষাত ৰচিত অনুষ্ঠানকেন্দ্ৰিক লোকগীতৰ বিষয়ে এটি আলোচনা কৰা।

(ছ) সাধুকথাৰ শ্ৰেণীবিভাগ কৰি শ্ৰেণীসমূহৰ পৰিচয়মূলক আলোচনা কৰা ।

(জ) অসমীয়া আখ্যানমূলক গীতৰ বিষয়ে এক পৰিচয়মূলক টোকা যুগুত কৰা ।

★★★